**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-11-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰা উপলক্ষে ৰাজ্যজুৰি আজিৰেপৰা ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হৈছে। এই উদযাপনত অসমীয়াৰ লগতে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰৰ উদ্দেশ্যে কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। গুৱাহাটীত আজি ভাষা গৌৰৱ সপ্তাহ উদ্যাপনৰ উদ্বোধনী অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ধ্ৰুপদী ভাষাৰ স্বীকৃতিপ্ৰাপ্তিৰ লগে লগে প্ৰতিজন অসমীয়াৰ ভাষাটোৰ প্ৰতি দায়িত্ব বাঢ়িল বুলি মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে নৱ প্ৰজন্মক ডিজিটেল পদ্ধতিৰে অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত আগবাঢ়িবলৈ আহ্বান জনায়। অনুষ্ঠানটোত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ বিজুলী কলিতা মেধি, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ তথা অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি আৰু গুৱাহাটীৰ বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

বৰপেটা জিলাৰ ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত মন্ত্ৰী অশোক সিংহলে অংশগ্ৰহণ কৰে। ধ্ৰুপদী ভাষাৰ স্বীকৃতিয়ে ভাষাটোৰ প্ৰসাৰ আৰু প্ৰচাৰত সহায় কৰিব যদিও প্ৰতিজন অসমীয়াই ভাষাটোৰ ব্যৱহাৰ বৃদ্ধিৰ বাবে হাত উজান দিলেহে এই স্বীকৃতিৰ সঠিক ৰূপায়ণ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। অনুষ্ঠানটোত ভাষা সাহিত্যৰ ক্ষেত্ৰখনলৈ বৰঙণি আগবঢ়াই অহা অঞ্চলটোৰ ৪ গৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

বাক্সা জিলাতো ভাষা গৌৰৱ সপ্তাহ সদৰ জিলা আয়ুক্তৰ সভাকক্ষত অনুষ্ঠিত হয়। অনুষ্ঠানত ভাষা সংৰক্ষণ আৰু প্ৰচাৰৰ ক্ষেত্ৰত লোৱা প্ৰচেষ্টাৰ বাবে কেইবাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। একেদৰে তামুলপুৰ জিলাতো ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত জিলাখনৰ বিভিন্ন জনগোষ্ঠীয় সাহিত্য সভাৰ বিষয়ববীয়াসকলক সম্বৰ্ধনা জনোৱা হয়। গোৱালপাৰা জিলাত নটসূৰ্য ফণী শৰ্মা ভৱনত আয়োজিত অনুষ্ঠানত অধ্যাপক আৰু ভাষাবিদ ড° লক্ষ্মী হাজৰিকাই অসমীয়া ভাষাৰ ঐতিহ্য উৎস আৰু বিকাশ সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

কাৰ্বি আংলং জিলাতো ভাষা গৌৰৱ সপ্তাহৰ উদ্বোধনী অনুষ্ঠানত অসমীয়াৰ লগতে কাৰ্বি ভাষাৰ ব্যুৎপত্তি সাধনৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ কৰা ৰংবং টেৰাঙকে ধৰি বিশিষ্ট সাহিত্যিক সকলক সম্বৰ্ধনা জনোৱা হয়। একেদৰে গোলাঘাট, মাজুলী, শিৱসাগৰ, দৰং, তিনিচুকীয়া, মৰিগাঁও জিলাতো ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত বিশিষ্ট সাহিত্যিক আৰু ভাষাবিদসকলক সম্বৰ্ধনা জনোৱা হয়। তিনিচুকীয়া জিলাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণে ভাষাৰ বিকাশে জাতি এটাৰ উন্নতিৰ বাট নিৰূপণ কৰে বুলি মন্তব্য কৰে। গোলাঘাট জিলাৰ বীৰাংগনা সতিসাধনী কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰী কেশৱ মহন্তই কয় যে সুৱদী সুৰীয়া অসমীয়া ভাষাটো জগৎ সভাত স্ব-মৰ্যাদাৰে মহিমামণ্ডিত ৰূপত বন্দিত হৈ থাকিবলৈ ধ্ৰুপদী ভাষাৰ স্বীকৃতিয়ে সহায় কৰিব। চৰাইদেউ জিলাৰ সোণাৰি মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত উপস্থিত থাকি কেবিনেট মন্ত্ৰী যোগেন মহনে ২২ গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনায়।

-বাইট-

উল্লেখযোগ্য যে চতুৰ্থ শতিকাৰ পৰা পৰ্যায়ক্ৰমে অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি যোগোৱা মনিষী, পণ্ডিত আৰু ভাষাবিদসকললৈ কৃতজ্ঞতা জ্ঞাপনৰ লগতে ভাষা গৌৰৱ সপ্তাহৰ বিভিন্ন কাৰ্যসূচীৰ অধীনত প্ৰকাশন পৰিষদে

প্ৰকাশ কৰা **ধ্ৰুপদী অসমীয়া** শীৰ্ষক গ্ৰন্থ নাগৰিকৰ মাজত বিতৰণ কৰা হ'ব। ইয়াৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এক লাখ নাগৰিকৰ জৰিয়তে কৃতজ্ঞতাসূচক পত্ৰ প্ৰেৰণ কৰাৰ কাৰ্যসূচীও আজিৰপৰা আৰম্ভ কৰা হৈছে।

০০০০০০

অসম চৰকাৰে দুৰ্নীতিক কোনো কাৰণতে প্ৰশ্ৰয় নিদিয়ে আৰু ৰাজ্যখনৰ পৰা অনীতি-অনিয়ম দূৰ কৰিবলৈ চৰকাৰে কঠোৰ পদক্ষেপ লৈ আহিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। দুৰ্নীতি ৰোধ কৰাৰ বাবে নীতিৰ সংস্কাৰ সাধনৰ উপৰি দুৰ্নীতিত লিপ্ত বিষয়াসকলক চিনাক্ত কৰি শাস্তি বিহাৰ ব্যৱস্থাও কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে, ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ স্থিতি অনুসৰি ২০২১ চনৰ পৰা দুৰ্নীতিৰ বিৰুদ্ধে দুই শতাধিক গোচৰ ৰুজু কৰাৰ লগতে ২৫৬ জন লোকক আটক কৰা হৈছে। ইয়াৰ ভিতৰত ২৩৬ জন চৰকাৰী চাকৰিয়াল আৰু ২০ জন মধ্যভোগী বুলি তেওঁ উল্লেখ কৰে। এই সময়ছোৱাত অসাধু উপায়েৰে সংগ্ৰহ কৰা ৭ কোটি ৮০ লাখ ৮৪ হাজাৰৰো অধিক ধন জব্দ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০০০০

ভাতৃ-ভগ্নীৰ পৱিত্ৰ বান্ধোনৰ নিদৰ্শনস্বৰূপ ভাতৃ দ্বিতীয়া ভাইদুজ বা ভাইফোটা উৎসৱ আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৰপম্পৰাগত উৎসাহ-উদ্দীপনাৰে পালন কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই উৎসৱ উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰি কয় যে, ভাতৃ আৰু ভগ্নীৰ সম্পৰ্ক অতুলনীয়। চেনেহ জৰিৰে গঁথা এই সম্পৰ্কই এখন ঘৰ আৰু সমাজক আগবঢ়াই নিয়াত অৰিহণা যোগাব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ লগতে সকলো ভাতৃ-ভগ্নীৰ কুশল কামনা কৰে। মন্ত্ৰী কেশৱ মহন্তয়েও এই উৎসৱ উপলক্ষে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি পৰম্পৰাগত এই উৎসৱে ভাতৃ-ভগ্নীৰ স্নেহবন্ধন অধিক শক্তিশালী কৰিব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি এই উৎসৱ উপলক্ষে উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে।

শোণিতপুৰ জিলাত আজি গোৰ্খা সম্প্ৰদায়ৰ লোকসকলে এই উৎসৱ পালন কৰিছে। পাঁচদিনীয়া এই উৎসৱৰ অন্তিম দিনা পৰম্পৰা অনুসৰি সমূহীয়াভাৱে তেওঁলোকে ভাইটীকা বা ভাইফোটা আয়োজন কৰে। আজি সন্ধিয়া আয়োজিত এই অনুষ্ঠানত ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব বুলি জানিব পৰা গৈছে।

০০০০০০০০

**সমাপ্ত**